# Reflection

## Vol .: IV

Editors:
Debeswar Boruah
Jinku Borkotoky

ESTD : 1949

Publication Cell

DEBRAJ ROY COLLE

- MNREGA and Agricultural Wages in India: A Chronological Review
  Sanjoy Saha / 118
- Mushroom Cultivation: A way of Earning
  *Dr. Rimen Bordoloi, Sajmir Azad, Sajidur Rahman*/132
- Aquatic Plants for Arsenic Uptake from Aqueous Medium
  Dr. Mridul Chetia/144
- Professional Ethics of Teachers'
  Leela Das/159
- Socio-Economic status of parents and its effects on academic achievement of students of class - x board examination of Sivasagar District. Assam
  Dr. Chitra Devi /170
- Concept of Lokasamigraha in the Philosophy of Bhagavad Gita
  Devi Sinha Chetia /181
- Human Trafficking, illegal immigration, slavery and responsibilities of Mathematicians : A short Discussion
  Dr. Santanu Acharjee /184
- বৰ্তমান সমাজত মহাত্মা গান্ধীৰ আদৰ্শ আৰু দৰ্শনৰ প্ৰাসংগিকতা
  অৰ্চনা নাথ /189
- Ethnoveterinary Practices in Some Rural Areas of Golaghat and Jorhat District, Assam
  Khirod Deori· Rashmi Rekha Nath, Pranati Kalita, Anisha Thapa, Samiron Borgohain, Rakhi Saikia /197
- Bootstrap; A Resampling Procedure
  Dr. Rumee Rani Savapandit / 212

# বৰ্তমান সমাজত মহাত্মা গান্ধীৰ আদৰ্শ আৰু দৰ্শনৰ প্ৰাসংগিকতা

* অৰ্চনা নাথ

কেৱল ভাৰতবৰ্ষৰে নহয়, সমগ্ৰ বিশ্বৰ বাবে চিৰ পূজনীয় বৰেণ্য 'বীৰ' (Hero) জনেই মহামানৱ মহাত্মা গান্ধী। গান্ধীজী প্ৰথম অৱস্থাত এজন সাধাৰণ ছাত্ৰ আছিল, কিন্তু নিজৰ চেষ্টা, অধ্যৱসায় আৰু আত্মবিশ্লেষণৰ গুণত এক অসাধাৰণ ব্যক্তিত্বৰ গৰাকী হ'ব পাৰিছিল, কোটি কোটি জনতাৰ মুক্তিদাতা হ'ব পাৰিছিল। মোহন দাস কৰমচাঁদ গান্ধী নামৰ গুজৰাটৰ সাধাৰণ ছাত্ৰজনৰ পৰা মহামানৱ মহাত্মা গান্ধী হোৱাৰ যি প্ৰয়াস তেওঁ অব্যাহত ৰাখিছিল সেই প্ৰয়াসৰ বাবেই তেওঁ সৰ্বযুগৰ, সৰ্বকালৰ স্মৰণীয় ব্যক্তি। গুজৰাটৰ পোৰবন্দৰৰ স্বৰ্গীয় কাবা গান্ধী আৰু পুতলী বাঈৰ সন্তান মোহনদাস মজলীয়াবিধৰ ছাত্ৰ আছিল যদিও অসাধাৰণ নৈতিক শক্তিৰ গৰাকী আছিল। শৈশৱতে তেওঁৰ ওপৰত মাতৃ পুতলী বাঈৰ প্ৰভাৱ পৰিছিল তাৰোপৰি ৰজা হৰিচন্দ্ৰ আৰু 'শ্ৰৱণৰ পিতৃ ভক্তি' নামৰ নাটক দুখনেও মোহনদাসৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। প্ৰবল আত্মশক্তি আৰু নৈতিক শক্তিৰ বাবে তেওঁ ভাল আৰু বেয়াৰ (good and evil) বিশ্লেষণ নিচেই সৰু কালৰে পৰা কৰিব পাৰিছল। পৰীক্ষাত নকল কৰাটো এক প্ৰকাৰ পাপ বুলি গণ্য কৰাৰ বাবে শিক্ষকে জোতাৰ আগেৰে মজিয়াত 'কেট্‌ল' শব্দটো লিখি দিয়াৰ পাছতো তেওঁ নকল নকৰিলে। এইদৰে আত্মনুসন্ধান আৰু অভিজ্ঞতাৰ কষটি শিলত তেওঁ মইৰ পৰা আমিলৈ যি যাত্ৰা চলাইছিল সেই যাত্ৰাই তেওঁক এক বিশেষ জীৱন দৰ্শনৰ গৰাকী কৰিলে। গান্ধীজীৰ জীৱন দৰ্শনৰ সামাজিক গুৰুত্ব তাৎপৰ্যপূৰ্ণ। তেওঁৰ ব্যক্তিত্ব, মানৱত্ব, অহিংসা আৰু সত্যবাদিতাই ভাৰতীয় সমাজ আৰু সভ্যতালৈ এক নতুন জোঁৱাৰ আনিলে। গতিকে একবিংশ শতিকাৰ সমস্যা জৰ্জৰিত সমাজ ব্যৱস্থাত